# পানবজাৰ ছোৱালী হাইস্কুলৰ সম্পাদিকা আৰু প্ৰধান শিক্ষয়িত্ৰীৰ ভাৰ গ্ৰহণ

সামাজিক মহিলা সভাৰ কাৰ্য্যক্ষেত্ৰৰ পৰা বিদায় লৈ মোৰো কাৰ্য্যক্ষেত্ৰ স্ত্ৰী শিক্ষা বিস্তাৰ কৰা ফালে পৰিবৰ্ত্তন কৰিবলৈ ইচ্ছা জন্মিল। সৰুৰে পৰা মই অন্তৰত অনুভৱ কৰিব পাৰিছিলো, ভগৱানে মোৰ দ্বাৰা যি কাৰ্য্য সমাধান কৰাব খোজে সেই অনুসৰিয়েই মোৰ মনৰ পৰিবৰ্ত্তন ঘটায়। মই কিন্তু আগৰে পৰা কল্পনা কৰি কোনো কাম কৰিবলৈ লোৱা বুলি মোৰ মনত নপৰে। দেশ সেৱাৰ আৱশ্যকতা অনুভৱ কৰি মোৰ মনত যি সময়ত যিটো কামত হাত দিবলৈ ইচ্ছা জন্মে, সেই ইচ্ছা, মই কামটো নহয় মানে কোনো মতেই দমাব নোৱাৰিছিলোঁ। নানা বাধা অসুবিধা অতিক্ৰম কৰি সেই কাৰ্য্য সমাধান কৰিবলৈ যত্ন কৰা পথত আগবাঢ়ি যাবলৈ মোৰ মনত বল আৰু শৰীৰত শক্তি লাভ কৰিছিলোঁ। ইও মোৰ প্ৰতি ভগবানৰ অসীম কৃপা বুলি মই অনুভৱ কৰিছিলোঁ।

ইতিমধ্যেই মই পানবজাৰ ছোৱালী স্কুলৰ কাৰ্য্যকৰী কমিটিৰ সম্পাদিকাৰ বাব গ্ৰহণ কৰিছিলো। স্কুলখনৰ উন্নতিৰ অৰ্থে আত্মনিয়োগ কৰিবলৈ আগবাঢ়িলো।

বাইজৰ পৰা টকা সংগ্ৰহ কৰি স্কুলৰ ঘৰ দুৱাৰৰ উন্নতি সাধন কৰি কেবাটিও নতুন ঘৰ নিৰ্ম্মাণ কৰা হ'ল। ছাত্ৰীৰ সংখ্যা বঢ়াবৰ কাৰণে দূৰৈৰ ছোৱালীয়ে স্কুললৈ অহা-যোৱা কৰিব পৰাৰ

কাৰণে এখন ডাঙৰ স্কুল বাছৰ ব্যৱস্থা কৰা হ'ল। হিমৎসিঙ্কা কোমম্পানীৰ পৰা বাছখন কিনা হৈছিল, কোম্পানীৰ মালিক শ্ৰীৰাম কুমাৰ বাবুৱে এই বিষয়ে স্কুলক বিশেষ সহায় কৰিছিল, লাহে লাহে বাছৰ দাম দিবলৈ তেওঁ সুবিধা দিছিল।

পাণবজাৰ স্কুলত কোনো গ্ৰেজুৱেট শিক্ষয়িত্ৰীয়ে স্থায়ী ভাবে প্ৰধান শিক্ষয়িত্ৰীৰ পদত থকা মনত নপৰে। কলিকতাৰ পৰা যি দুই এজন আহিছিল অলপ দিন থাকিয়ে কামৰ পৰা বিদায় লৈছিল। অসমৰ ভিতৰত মোৰ বাহিৰে সেই সময়ত গ্ৰেজুয়েট মহিলা নাছিল।

স্কুলৰ কমিটিয়ে মোক প্ৰথমে, প্ৰধান শিক্ষয়িত্ৰীৰ বাব লবলৈ ধৰিছিল কিন্তু মোৰ ব্যক্তিগত অসুবিধাত সেই বাব মই লবলৈ ইচ্ছা নকৰিলো।

৺হেমচন্দ্ৰ সেনে যেতিয়া কটন হাইস্কুলৰ পৰা অৱসৰ লৈছিল, তেখেতকে তিনি বছৰৰ কাৰণে প্ৰধান শিক্ষকৰ বাব দিয়া হ'ল। মই তেতিয়া স্কুলৰ ছেক্ৰেটৰী আছিলো। স্কুলত গাৰ্হস্থ্য বিজ্ঞানৰ ক্লাছ খুলি দিয়া হৈছিল। তাঁত বোৱা, সূতা কটা, চিলাই, গান আদিৰো ক্লাছ খোলা হৈছিল। স্কুলৰ বাছৰ দ্বাৰা বহুত ছোৱালীয়ে দূৰৈৰ পৰা আহি ভৰ্ত্তি হ'ল। কিছুদিনৰ ভিতৰতে ছাত্ৰীৰ সংখ্যা বেচ বাঢ়িবলৈ ধৰিলে। ডাঙৰ ছোৱালীবোৰে, যিবোৰে খোজ কাঢ়ি স্কুললৈ আহিবলৈ সুবিধা নাপাইছিল, তেওঁবিলাককো অভিভাৱকে বাছেৰে স্কুললৈ পঠোৱাত বাধা নকৰা হল। আগেয়ে ওপৰৰ ক্লাছ কিটাত ছাত্ৰীৰ সংখ্যা বহুত কম আছিল স্কুলত বাছ হোৱাৰ পৰা ওপৰ ক্লাছত ছাত্ৰীৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। শ্ৰীহেমচন্দ্ৰ সেনৰ প্ৰধান কাৰ্য্যভাৰ উকলি গলত, স্কুল কমিটিয়ে মোকে অনুৰোধ কৰিলে প্ৰধান শিক্ষয়িত্ৰীৰ ভাৰ গ্ৰহণ কৰিবলৈ। সেই সময়ত মোৰ সুমলীয়া লৰাজন স্কুললৈ অহা যোৱা কৰা বয়স-প্ৰাপ্ত হৈছিল। ডাঙৰ লৰা-ছোৱালী চাৰিজনে স্কুলত পঢ়িছিল। ছেক্ৰেটৰী হিচাপে স্কুলখনৰ উন্নতিৰ

অৰ্থে মই নিজক লগাবলৈ সময় উলিয়াব পৰা হৈছিলো।

স্কুলখনৰ উন্নতি সাধন কৰাৰ বিষয়ে চিন্তা কৰি মোৰ মনত লাগিল উক্ত কাৰ্য্যত মই আত্মনিয়োগ কৰা উচিত হ'ব। ডাক্তৰ দাসক মোৰ মনৰ ইচ্ছা জনালত তেখেতে এইবাৰ মোক কাম কৰিবলৈ বাধা নিদিলে। ৺হেমচন্দ্ৰ সেনে অৱসৰ লোৱাৰ পিচত মই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ ভাৰ গ্ৰহণ কৰিলো। মই স্কুলৰ ছেক্ৰেটৰী আৰু প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰিলোঁ।

স্কুলৰ কাৰণে পুঁজি সংগ্ৰহ কৰা, চৰকাৰৰ পৰা স্কুলৰ কাৰণে গ্ৰাণ্ট বঢ়োৱা আদি কাৰ্য্যত মোৰ স্বামী ডাক্তৰ দাসে মোক বিশেষ ভাৱে সহায় কৰিছিল।

প্ৰতি বছৰে স্কুলৰ পৰা মেট্ৰিকলেশ্যন পাছ কৰা ছোৱালীৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। গুৱাহাটী চহৰত পাণবজাৰ হাইস্কুল এখন লেখত লব লগীয়া স্কুল হৈ পৰিল। দূৰৈৰ পৰা ছোৱালীয়েও পাণবজাৰ হাইস্কুলত পঢ়িবলৈ আহিছিল, তেওঁবিলাকৰ কাৰণে হোষ্টেলৰ ব্যৱস্থা কৰা হৈছিল। স্কুলত গ্ৰেজুৱেট শিক্ষয়িত্ৰীৰ সংখ্যা লাহে লাহে বঢ়োৱা হ'ল। প্ৰথমে অসমীয়া গ্ৰেজুৱেট শিক্ষয়িত্ৰী মিছেচ ইন্দিৰা মিৰিকে নিযুক্ত কৰা হৈছিল। সেই সময়ত তেওঁ ইন্দিৰা সেনাপতি আছিল। ছোৱালীবিলাকে যেতিয়া বছৰে বছৰে মেট্ৰিক পাছ কৰি স্কুলৰ পৰা ওলাবলৈ ধৰিলে তেওঁবিলাকৰ কলেজ শিক্ষাৰ বিষয়ে ভাবিবলগীয়া কথা হৈ পৰিল।

সকলো ছোৱালীৰ কাৰণে কটন কলেজত ঠাই নহৈছিল। যিসকল অভিভাৱকে ছোৱালীক অসমৰ বাহিৰত পঢ়াবলৈ সমৰ্থবান আছিল, তেওঁবিলাকৰ ছোৱালীয়ে কলিকতা, বেনাৰস আদিত গৈ শিক্ষা লাভ কৰিব পাৰিছিল। কম সংখ্যক ছোৱালীয়ে কটনত পঢ়িবলৈ ঠাই পাইছিল। তেওঁবিলাকৰ ভিতৰতে কিছুমান দূৰ ঠাইৰ পৰা আহিছিল। সেইবিলাক ছোৱালীয়ে পাণবজাৰ

চৌহদত নিঃ ভিাঃ মহিলা সভাৰ অসম প্ৰাদেশিক শাখাৰ সৌজন্যত নিৰ্ম্মিত হোৱা হোষ্টেলত থাকিব পাৰিছিল।

কটন কলেজত পঢ়া ছোৱালীৰ তত্বাৱধানৰ ভাৰ পাণবজাৰ স্কুলৰ হোষ্টেলৰ ছুপাৰিণ্টেণ্ডেণ্টক লবলৈ দিয়া হৈছিল। কিছুদিনৰ পিচত আমেৰিকান মিশ্যনৰ তত্বাৱধানত মিশ্যনৰ কম্পাউণ্ডত লুই মেমৰীয়েল নাম দি কটনত পঢ়া ছোৱালীৰ কাৰণে এটি হোষ্টেল খোলা হয়। পিচত উক্ত মিশ্যনৰ দ্বাৰাই ছাত্ৰীবাৰী হস্পিতেল কম্পাউণ্ডত হোৱাইট মেম'ৰীয়েল উইমেন হোষ্টেল নাম দি দুই মহলাৰ হোষ্টেল এটি খোলা হয়। লুই মেম'ৰীয়েল হোষ্টেলৰ ছোৱালীবিলাকক ছাত্ৰীবাৰী হোষ্টেললৈ নিয়া হয়। আগৰ ছোৱালীৰ কাৰণে নৈৰ পাৰত কৰা হোষ্টেলটিত কটন কলেজত পঢ়া ল'ৰাক ঠাই দিয়া হয়।

কটন কলেজৰ কৰ্ত্তৃপক্ষই ভালেমান বছৰলৈকে উক্ত কলেজত পঢ়া ছোৱালীৰ কাৰণে হোষ্টেলৰ ব্যৱস্থা কৰা নাছিল। কোন বছৰত মোৰ মনত নাই, প্ৰথমে মিছেছ কমলা ৰায়ক ছুপাৰিণ্টেণ্ডেণ্ট কৰি কলেজ কৰ্ত্তৃপক্ষই উজান বজাৰত ৺সূৰ্য্যকুমাৰ ভূঞাৰ ভাড়াঘৰ এটিত ছোৱালীৰ কাৰণে হোষ্টেল এটি খুলি দিছিল।

আমি পাণবজাৰ স্কুলত কটনৰ ছোৱালীৰ কাৰণে পোনপ্ৰথমে খুলি দিয়া হোষ্টেলৰ পৰা কটনৰ ছাত্ৰীবিলাকে লাহে লাহে আন হোষ্টেল বিলাকত ঠাইৰ ব্যৱস্থা কৰিলেগৈ। ইফালে পানবজাৰ হাইস্কুলৰ হোষ্টেলত ছোৱালীৰ সংখ্যা বাঢ়ি অহাত, কলেজৰ ছোৱালীৰ কাৰণে কৰা ঘৰো স্কুলৰ ছোৱালীক ব্যৱহাৰ কৰিবলৈ দিয়া হল।

মই অনুভৱ কৰিব পাৰিলো, মেট্ৰিকলেশ্যন পাছ কৰি সকলো ছোৱালীয়ে কলেজত পঢ়িবলৈ সুবিধা নাপাইছিল। স্থানীয় ছোৱালীকেইগৰাকী মানৰ বিষয়ে মই বুজিব পাৰিছিলো, তেওঁবিলাকৰ

অভিভাবকে লৰাৰ লগত ছোৱালীক পঢ়ুৱাবলৈ অনিচ্ছুক। পানবজাৰ স্কুলৰ পৰা দুজনী ছোৱালীয়ে মেট্রিক পাছ কৰি কলেজীয়া শিক্ষা লাভ কৰিবলৈ সুবিধা নাপাইছিল। সেই দুজনী ছোৱালীকেই মই বিশেষভাৱে জানিছিলো। তাৰ বাহিৰে কোনো কোনো ছোৱালীৰ ভাগ্যতো তেনেকুৱা ঘটিছিল।